
# বাণিজ্য দৰ্পণ

বৰ্ষ ১৯৯৯-২০০০



**BANIJYA DARPAN**

35TH ISSUE, 1999-2000

সম্পাদক : শ্ৰী অমৰজিৎ গগৈ

# BANIJYA DARPAN


ANNUAL MAGAZINE, DHSK COMMERCE COLLEGE, DIBRUGARH

35th ISSUE, 1999 - 2000

EDITED BY :- AMARJIT GOGOI.

Published by Kanoi Commerce College Student Union Society. DIBRUGARH


## EDITORIAL BOARD 1999 - 2000


| | | |
|---|---|---|
| President | : | M. M. Das.<br>(Principal, DHSK Com. College) |
| Prof. In - Charge | : | Prof. G. Adhikary. |
| Advisere | : | Prof. (Mrs.) K. Khound.<br>Prof. (Mrs.) S. Goswami.<br>Prof. (Mr.) K. Hazarika. |
| Editor | : | Amarjit Gogoi. |
| Member | : | Anupam Borgohain.<br>Dipankar Borgohain.<br>Lakhya Jyoti Gogoi. |
| Cover Art by | : | Dhrubajyoti Saikia. |
| Planning | : | Anupam Borgohain.<br>Dipankar Borgohain.<br>Lakhya Jyoti Gogoi. |
| D.T.P. Seting | : | Ranjit Kakoty.<br>Rakheemoni Kakoty. |
| Published by | : | DHSK COMMERCE COLLEGE<br>STUDENT UNION SOCIETY<br>1999 -2000 |
| Printed at | : | *Upala Press*<br>*Gandhinagar, Dibrugarh*<br>*Pin - 786001* |

# শ্ৰদ্ধাঞ্জলী



উত্তৰ পূৰ্বাঞ্চলৰ এই ঐতিহ্যপূৰ্ণ কানৈ বানিজ্য মহাবিদ্যালয়ে আজি একবিংশ শতিকাক আদৰিবলৈ উত্ৰাৱল হৈ থকাৰ প্ৰাকমহুৰ্ত্তত আমি শ্ৰদ্ধাঞ্জলী জনাইছো , সেই সকলৰ মহান আত্মাৰ প্ৰতি - যি সকল জ্ঞাত বা অজ্ঞাত প্ৰয়াত মহান পুৰুষৰ অহোপুৰুষাৰ্থ প্ৰচেষ্টাৰ বাবে ১৯৬০ চনত স্থাপিত হৈছিল এই কানৈ বানিজ্য মহাবিদ্যালয় ।

আমি শ্ৰদ্ধাঞ্জলী জনাইছো সেই বীৰ শ্বহীদ সকলৰ আত্মাৰ প্ৰতি যি সকলে বিংশ শতাব্দীৰ অন্তত কাৰ্গিল প্ৰান্তত যুদ্ধ কৰি নিজৰ প্ৰান বিসৰ্জণ দি একবিংশ শতিকাৰ প্ৰাকমূহুৰ্ত্তত ভাৰতক জয়ৰ মালা অৰ্পণ কৰিলে ।

আমি শ্ৰদ্ধাঞ্জলী জনাইছো আমাৰ প্ৰয়াত বন্ধু জয়ন্ত শইকীয়াৰ বিদেশী আত্মাৰ প্ৰতি , যাক ডিব্ৰুগড় চহৰৰ মাজ - মজিয়াত দুষ্কৃতিকাৰীয়ে নৃশংস ভাবে হত্যা কৰিছিল । ১৯৯৮ চনৰ ফেব্ৰুৱাৰী মাহত ।

আমি শ্ৰদ্ধাঞ্জলী জনাইছো , সেই সকল প্ৰয়াত অসমী সন্তানৰ আত্মাৰ প্ৰতি যি কেৱল স্বজাতিৰ হ'কে , অসমৰ উন্নতিৰ হ'কে , অসমৰ সাহিত্য - কলা সংস্কৃতিৰ লগত আজীৱন জৰিত হৈ থাকি শেষত নিষ্ঠুৰ নিয়তিৰ হাতত হাৰ মানিছিল , যাৰ মৃত্যুত অসমে এখুজৰ বাবে হলেও থমকি ৰব লগা হৈছিল , ক্ষতি হৈছিল অপূৰণীয় ॥

# VICE - CHANCELLOR  DIBRUGARH UNIVERSITY


DIBRUGARH, PIN - 786004 (ASSAM)

**Dr. D. Kakati,**
Vice - Chancellor

Phone : 0373 - 70239 (Office)
Fax No. : 0373 - 70323

e - mail : d_kakati@mailcity.com


No. DU / VC / 2000/ 1628

Date : 14 . 12 . 2000

To
Sri Amarjit Gogoi,
Magazine Secretary,
D. H. S. K. Commerce college Students' Union,
Dibrugarh

Dear Secretary,

I am very happy to learn that you are going to bring out the annual issue of your College magazine. A College magazine gives lot of scope for creative activities amongst the students as well as the faculty members. I am sure you would have received enthusiastic cooperation from all concerned in this endeavour. I extend my good wishes to the teachers, student's and staff of your College and hope the magazine would be a great success.

Yours sincerely,

(Dr. Devdas Kakati)

# সূচীপত্ৰ

## প্ৰবন্ধ


১। সম্পাদকীয়

২। স্বামী বিবেকানন্দৰ দৃষ্টিত আধুনিক যুৱকৰ ব্যক্তিত্ব — অধ্যাপক - শ্ৰী কিৰণ হাজৰিকা

৩। ৰাষ্ট্ৰীয় সেৱা আৰ্চনিৰ শিবিৰ সমূহৰ টুকুৰা ছবি — অধ্যাপক - শ্ৰী প্ৰদীপ চাহু


## গল্প


৪। চকুলো — শ্ৰী বসন্ত দাস

৫। তিনি বন্ধুৰ গৌৰব — শ্ৰী প্ৰশান্ত দাস

৬। তুমি আহিলা — শ্ৰী জয়ন্ত কুমাৰ শৰ্মা

৭। স্বাধীনতাৰ সোনালী জয়ন্তী — শ্ৰী ৰণদিপ গগৈ


## কবিতা


৮। চৰ্ত — শ্ৰী জয়ন্ত দাস

৯। প্ৰেৰণা — শ্ৰী হেমেন্দ্ৰ কুমাৰ গগৈ

১০। ঈশ্বৰ — শ্ৰীমতী দিপি ফুকন

১১। প্ৰেতাত্মা — শ্ৰী ক্ষেত্ৰনাথ টায়ে

১২। অস্তিত্ব — শ্ৰী ধনটি গগৈ

১৩। নবসুৰুজ — শ্ৰী বসন্ত দাস

১৪। এজন হেৰাই যোৱা বন্ধুৰ প্ৰতি — শ্ৰী অমৰজিৎ গগৈ

১৫। তোমাৰ মধুৰতা আৰু মোৰ অস্তিত্বহীনতা — শ্ৰী ত্ৰৈলোক্য দত্ত

১৬। সঙ্গী — শ্ৰী জয়ন্ত কুমাৰ শৰ্মা

১৭। আধৰুৱা সপোন — শ্ৰীমতী সীমা বৰদেউৰী

১৮। শান্তি - আনন্দৰ - অনুসন্ধান — শ্ৰী ডেনিচ চাংমাই

১৯। দুদিনীয়া জীৱন — শ্ৰী ডেনিচ চাংমাই

# ENGLISH SECTION


1. RENEWABLE ENERGY IN INDIA A VISION FOR THE NEW MILLENNIUM. — Sir Nayanmoni Chetia
2. *A PEEP INTO THE LABOUR WELFEAR MEASURES IN THE TEA INDUSTRY OF ASSAM* — *Prof. S.N. Mahanta*
3. *COMMERCE EDUCATION & EMPLOYMENT PERSPECTIVE* — *Dr. Raghu Nath Borbora*
4. *INDIAN NATIONAL CADET CORPS.* — *Lalan Kumar Sharma*
5. *LAND ,MANKIND AND WELFARE* — *Prof. Bhupesh Bhagawati*
6. *DRUGS AND DRUG ABUSE SCENARIO* — *Sri Sujoy Sarkar*
7. *NECESSITY OF THE CONSERVATION OF WORLD'S ENVIRONMENT* — *Chandana Dutta*
8. *MOTHER TERESA* — *Miss Ritumoni Thapa*
9. *COMPUTER SOFTWARE* — *Sir Shyam Kumar Chauhan*
10. *MISFORTUNE OF MOTHER INDIA* — *Aparna Das*
11. *HOW TO MAINTAIN FRIENDSHIP* — *Abhay Kumar Singh*
12. *THE BRAVE HEROES OF OUR NATION* — *Mohuwa Bhowal*
13. *FAITH* — *Nayan Moni Chetia*
14. *FRIENDSHIP* — *Shri Khanindra Das.*
15. *THE SKY* — *Narendra Dastider*
16. *I CANNOT SEE* — *Tinni Sanyal*
17. *TO MY BELOVED TEACHER* — *Sri Ketro Nath Taye*
18. *প্ৰতিবেদন*
19. ***EX - EDITOR***

# সম্পাদকীয়

বৰ্ত্তমান সময়ছোৱাত অসমৰ ভূখণ্ডত চলি থকা যি সন্ত্ৰাস জৰ্জৰ পৰিস্থিতি। এই পৰিস্থিতিয়ে সচাঁকৈয়ে প্ৰতিজন সচেতন নাগৰিককে চিন্তিত কৰি তুলিছে। প্ৰতিদিনেই বিভিন্ন ঠাইত ঘটি থকা হত্যা, লুণ্ঠন, আদিৰ দৰে ঘটনা বোৰ ছাত্ৰ সমাজৰ ওপৰতো বাৰুকৈয়ে প্ৰভাব পেলাইছে। এনে এক ভয়াবহ পৰিস্থিতিৰ মাজত ছাত্ৰ - ছাত্ৰী সকলে বিদ্যালয় বা মহাবিদ্যালয়লৈও যাবলৈ ভয় কৰি ঘৰতে বহি থকা দেখা যায়। ছাত্ৰ জীৱনত শিক্ষা গ্ৰহন কৰাই মূখ্য উদ্দেশ্য যদিও বৰ্ত্তমান আমাৰ যুব ছাত্ৰ সকল বিভিন্ন কাৰণত নিৰাস হৈ পৰা দেখা গৈছে।

## শিক্ষা আৰু ৰাজনীতি ঃ

বৰ্ত্তমান ৰাজনীতি ৰথত উঠি ফুৰা ৰথি মহাৰথি সকলে কোনো এক শিক্ষানুষ্ঠানৰ দ্বাৰ উন্মোচন কৰিবলৈ গৈ উদাত্ত কণ্ঠে দিয়া ভাষনৰ একাংশ ''আজিৰ ছাত্ৰ কালিলৈ দেশৰ নাগৰিক'' --- কিন্তু এই চিৰ সত্য কথাষাৰ যেন বৰ্ত্তমান ৰাজনীতিৰ ৰোষত পৰিয়েই

কলুষিত হোৱাৰ উপক্ৰম ঘটিছে। কিয়নো ৰাজনীতিৰ মেৰপাকে শিক্ষা বিভাগটো মেৰিয়াই পেলাইছে। যিহেতু এজন ছাত্ৰৰ শিক্ষাৰ জীৱন আৰম্ভ হয় বিদ্যালয়ত। আৰম্ভনিতে যদি ছাত্ৰ জনক উচ্ছিত শিক্ষা প্ৰদান কৰিব পৰা নাযায় তেন্তে তেওঁ ভৱিষ্যতে এজন সুনাগৰিক হব নোৱাৰে। কিন্তু আজিকালি এই শিক্ষানুষ্ঠান বিলাকত শিক্ষা দান কৰিবলৈ অহা শিক্ষা গুৰু সকলে মাহৰ শেষত নিজৰ দৰমহা নেপায় শিক্ষা দিয়াৰ পৰা বিৰত থকা পৰিলক্ষিত হয়। ফলত মেধাবী হ'লেও উপযুক্ত শিক্ষাৰ অভাৱত ছাত্ৰ বা ছাত্ৰী গৰাকীৰ বিস্তৰ ক্ষতি হোৱাটো পৰিলক্ষিত হয়। দৰমহা নোপোৱা শিক্ষক সকলে ছাত্ৰ - ছাত্ৰীক টিউচন কৰি ধন উপাৰ্জন কৰে। কিন্তু গাওঁ অঞ্চলত বহু ছাত্ৰ - ছাত্ৰী মেধাৱী অথচ দুখীয়া হোৱাৰ বাবেই ইয়াৰ পৰাও বঞ্চিত হয় শিক্ষা জীৱন সমাপ্ত কৰি। নিজৰ পেটৰ ভোক নিবাৰণৰ বাবে কিছুমান কুকাৰ্য্য কৰিবলৈ আগবাঢ়ি আছে। ইয়াৰ উপৰিও বিভাগীয় কৰ্তৃপক্ষই বহু লোকক কেৱল নিজৰ স্বাৰ্থ পূৰণৰ বাবেই মানদণ্ড নিৰ্ণয় নকৰাকৈয়ে শিক্ষা বিভাগত চাকৰি দিয়ে। যাৰ ফলত এজন ছাত্ৰই উপযুক্ত শিক্ষাৰ পৰা বঞ্চিত হয়।

## প্ৰসংগ নিবনুৱা ঃ

সাম্প্ৰতিক কালত আমাৰ যুৱ মানসিকতা উচ্ছৃংখলতাৰ এটা মূখ্য কাৰণ হৈছে নিবনুৱা সমস্যা। বৰ্ত্তমান আমাৰ দেশৰ অধিক সংখ্যক ছাত্ৰ - ছাত্ৰীয়েই নিবনুৱা হৈ জীৱন অতিবাহিত কৰিছে। প্ৰকৃতাৰ্থত উন্নত মানদণ্ডৰ শিক্ষাব্যৱস্থাৰ অভাৱৰ বাবেই আমাৰ অসমত নিবনুৱা সমস্যা বৃদ্ধি পাই আহিছে। কেৱল শিক্ষা ব্যৱস্থাই নহয়, উপযুক্ত কৰ্ম সংস্থানৰ অভাৱ, বৃহৎ উদ্যোগ বিলাক পুনৰ সম্প্ৰসাৰণৰ বাধাৰ বাবেই নিবনুৱা সমস্যা বৃদ্ধি হৈছে। আন ৰাজ্য বিলাকৰ তুলনাত আমাৰ শিক্ষা ব্যৱস্থা বহু পিছ পৰা। এই ক্ষেত্ৰত বিভাগীয় কৰ্তৃপক্ষই চকু দিয়াটো অত্যন্ত জৰুৰী। প্ৰকৃতাৰ্থত কৰ্ম সংস্থানৰ অভাৱৰ বাবেই বহু ছাত্ৰ ছাত্ৰী উচ্চ শিক্ষিত হৈও নিবনুৱা হৈ থাকিব লগা হোৱাৰ ফলত বহু ক্ষেত্ৰত তেওঁলোকে ধন আৰ্জনৰ বাবে বিপথে পৰিচালিত হোৱাও দেখা যায়। যিয়ে অৱশেষত সন্ত্ৰাসবাদীৰ সৃষ্টিও কৰিব পাৰে।

• নিবনুৱা সমস্যা যিমানেই বৃদ্ধি হৈছে আমাৰ ছাত্ৰ - ছাত্ৰী সকলৰ শিক্ষাৰ প্ৰতি সমানেই অনিহা ভাব পৰিলক্ষিত হৈছে। অৱশ্যে শিক্ষাৰ প্ৰতি অনিহা ভাৱৰ আন এটি কাৰণ হৈছে আজিকালি সততে দেখা পোৱা বিদ্যালয়ৰ পৰা বিশ্ববিদ্যালয় পৰ্যন্ত ফলাফল ঘোষনাৰ ভুল তথ্য বিলাক। ছাত্ৰ - ছাত্ৰীৰ মাজত বাৰুকৈয়ে মানসিক চাপৰ সৃষ্টি কৰে। যিয়ে নিকি ছাত্ৰ জীৱনলৈ আনি দিব পাৰে সোনোৱালি পোহৰ অথবা আন্ধাৰৰ অমানিশা। একবিংশ শতিকাৰ দুৱাৰ দলিত সকলো বিলাকে সচেতন হোৱাৰ সময় সমাগত।

## বানিজ্য বিভাগৰ প্ৰসাৰ ঃ

*সৰ্বসাধাৰণতে দেখা পোৱা যায় যে বানিজ্য বিভাগটোৰ প্ৰতি আমাৰ অসমীয়া সমাজ খনৰ দৃষ্টি কম । আমাৰ মহাবিদ্যালয়লৈ চালেই আমি গম পাওঁ যে প্ৰায় 40 % মানহে অসমীয়া ছাত্ৰ-ছাত্ৰী আমাৰ মহাবিদ্যালয়ত আছে । প্ৰকৃততে বানিজ্যৰ পৰিসৰ যে কিমান ডাঙৰ তাক আমাৰ সমাজখনে আজিও গম পোৱা নাই । এই বানিজ্য বিভাগটোৰ প্ৰসাৰৰ বাবে আমি বিদ্যালয় পৰ্য্যায়ৰ পৰা চেষ্টা আৰম্ভ কৰিব লাগে । যিহেতু এজন ছাত্ৰ বা ছাত্ৰীয়ে HSLC পাছ কৰি Science নে Arts পঢ়িব তাক থিৰাং কৰিব পাৰে কিয়নো তেওঁলোকে বিদ্যালয় পৰ্য্যায়ত এই দুয়োটা বিভাগৰে আভাস পায় । কিন্তু বানিজ্য বিভাগটোৰ ক্ষেত্ৰত তেনে কোনো সুবিধা নাই । গতিকে এই ক্ষেত্ৰত বানিজ্য বিভাগটোৰ এটা মাধ্যম Book Keeping বিষয় টো যদি বিদ্যালয় পৰ্য্যায়াতে পঢ়াৰ সুবিধা ছাত্ৰ - ছাত্ৰীক দিব পৰা যায় তেন্তে বানিজ্য বিভাগটোৰ প্ৰতি ছাত্ৰ - ছাত্ৰীৰ সচেতনতা বৃদ্ধি পাব ।*

*ইয়াৰ উপৰিও বিশ্ববিদ্যালয় পৰ্য্যায়ত আন Department বিলাকৰ দৰে Commerce Department ৰ শাখা সমূহ সুকীয়া সুকীয়াকৈ খুলাৰ ব্যৱস্থা কৰিলে বহু ছাত্ৰ - ছাত্ৰ উপকৃত হ'ব। আৰু ইয়াৰ বাবে ছাত্ৰ - ছাত্ৰী সকলে বিশ্ববিদ্যালয়ত প্ৰবল হেঁচা প্ৰয়োগ কৰিব লাগিব ।।*

## ব্যক্তিগত ঃ

*কাৰ্নে বানিজ্য মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী '' বানিজ্য দৰ্পন '' ৰ ৩৫ তম সংখ্যাটি প্ৰকাশ কৰিবৰ বাবে মোক দায়িত্ব দিয়াত মই মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ - ছাত্ৰীক ধন্যবাদ জনাইছো৷ আলোচনী খন সম্পাদনা কৰিবলৈ আগবাঢ়োতে মোক সকলো দিশতে সহায় কৰা সম্পাদনা সমিতিৰ সভাপতি ( অধ্যক্ষ ) মনমোহন দাস চাৰ ; অধ্যাপক ঘনশ্যাম অধিকাৰী চাৰ, কল্পনা খাউণ্ড বাইদেউ, চৰিতা গোস্বামী বাইদেউ, কিৰণ হাজৰিকা চাৰ, সদস্য অনুপম, দিপাঙ্কৰ আৰু লক্ষ্যলৈ মোৰ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ থাকিল ।*

*উন্নত মানদণ্ডৰ প্ৰবন্ধ আদিৰ অভাবৰ বাবে যথা সময়ত আলোচনী খন প্ৰকাশ কৰিব নোৱাৰাত মই দুখিত । আলোচনী খন সম্পাদনা কৰোতে অনিচ্ছাকৃত ভাবে ৰৈ যোৱা ভুল বিলাকৰ বাবে ক্ষমা বিচাৰিছো । শেষত কাৰ্নে বানিজ্য মহাবিদ্যালয় তথা '' বানিজ্য দৰ্পণ '' কনিৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি মোৰ সম্পাদকীয় কলম সামৰিছো ।*

# স্বামী বিবেকানন্দৰ দৃষ্টিত আধুনিক যুৱকৰ ব্যক্তিত্ব

অধ্যাপক কিৰণ হাজৰিকা
বিভাগীয় মুৰব্বী হিন্দী বিভাগৰ

বিজ্ঞানৰ প্ৰগতিয়ে আধুনিক বিশ্বক সকলো দিশতে সঘন পৰিবৰ্ত্তনৰ দিশ আনি দিছে। আধুনিক সমাজত জীৱন যাপনৰ পদ্ধতিবোৰ দিনে দিনে ইমান সুলভ আৰু সহজ হৈ পৰিছে যেন এতিয়া হাতেৰে জোন ঢুকি পোৱাৰ প্ৰবচন ফাঁকি বাস্তৱায়িত হৈছে। বিজ্ঞানৰ প্ৰগতিয়ে মানৱ সমাজত বাহ্যিক ৰূপৰহে আশু পৰিবৰ্ত্তন আনিছে; কিন্তু মানৱৰ আটাইতকৈ দৰকাৰী গুণ বিলাকৰ পৰিবৰ্ত্তন আনিব পৰা নাই বৰঞ্চ দিনে দিনে মানৱতা চৰম স্খলনৰ পিনে আগুৱাই গৈ আছে। আগৰ তুলনাত শিক্ষাই বহুত অগ্ৰগতি পাইছে অথচ প্ৰকৃত শিক্ষিত ব্যক্তিৰ অভাৱ সৰ্ব্বত্ৰ পৰিলক্ষিত হৈছে। সেয়ে স্বামী বিবেকানন্দই কৈছিল যে, নৈতিক শিক্ষাৰ অবিহনে প্ৰকৃত শিক্ষা অৰ্জন কৰিব নোৱাৰি। একৈশ শতিকাৰ কালে ঢাপলি মেলা আজিৰ পৃথিবীৰ সন্তানসকলক পিছৰ ১৯ শতিকাৰ বা ২০ ( বিশ ) শতিকাৰ জীৱন ধাৰণ পদ্ধতি বিষয়ে মনোযোগ নিয়াটো লেখৰ অৰ্থ নহয় যদিও ১৯ শতিকাৰ পৃথিবীৰ সৰ্বশ্ৰেষ্ঠ ব্যক্তিত্ব স্বামী বিবেকানন্দ যিয়ে ১৯ শতিকাৰ দুৱাৰ দলিত বহিও একবিংশ শতাব্দীৰ স্বপ্ন দেখিছিল। তেওঁৰ স্বপ্ন আখৰে আখৰে ফুটি উঠিছে।

স্বামী বিবেকানন্দই স্বচক্ষে ভয়ংকৰ বিশ্বযুদ্ধৰ কদৰ্য্য দৃশ্য দেখা পাইছিল য'ত হাজাৰ হাজাৰ সুন্দৰ সুঠাম তৰুণৰ অকালবোধন হৈছিল, দেখিছিল 'এটম বোমাৰ' নিমিষতে ধ্বংস কৰা চহৰবোৰৰ ধ্বংসাৱশেষ, দেখিছিল চতুৰ্দিশে কেৱল শোষণ, উপনিবেশ, একনায়কত্ববাদ আৰু বিনাশ লীলাৰ তাণ্ডৱ নৃত্য। তথাপি যোৱা সহস্ৰাব্দত পৃথিবীখন ইমান পৰিবৰ্ত্তন হৈ গ'ল যে আচৰিত হৈ নোৱাৰি বিশেষকৈ আগত কোৱাৰ দৰে বিজ্ঞানে অদ্ভুদ পৰিবৰ্ত্তন আনি দিছে।

আজিৰ যুৱকৰ মাজত নৈতিক মূল্যবোধৰ অৱক্ষণ ঘটিছে ই সকলোৰে প্ৰনিধানযোগ্য। হিংসা প্ৰতিহিংসাৰে আগবঢ়া আজিৰ যুৱক চাম সুনিয়োজি হিংসা আৰু ভৌতিক সুখ সম্ভোগ, বিনোদনৰ প্ৰতি দিনকদিনে জিজ্ঞাসা বাঢ়ি গৈ থকা পৰিলক্ষিত কৰিছিল স্বামীজীয়ে।

## আধুনিক যুৱকৰ প্ৰকৃতি ঃ

বিশ্বৰ বিভিন্ন ঘটনা আৰু পৰিস্থিতি য়ে আধুনিক যুৱক সকলক ধৰ্মীয় অনুশাসন, আচৰণ আৰু নিৰ্দেশনাবোৰৰ প্ৰতি বিদ্ৰোহী কৰি তুলিছে। আজিৰ বিশ্বত মানৱতা অপমানিত আৰু ঘৃণিত হৈছে; ভাৰতবাসীয়ে নিজৰ গৰিমা তথা সংস্কৃতি পাহৰি গৈছে। এই ভয়ংকৰ প্ৰতিকূল বাতাবৰণৰ লালিত পালিত সন্তানবোৰৰ পৰা এইটো আশা কৰিব নোৱাৰি যে তেওঁলোকৰ মনত ধৰ্ম আৰু নৈতিক

আদৰ্শবোৰৰ প্ৰতি কোনো শ্ৰদ্ধা আৰু আস্থা থাকিব। কাৰণ তেওঁলোকে স্বচক্ষে দেখি আছে। আজি এই দেশত সততা, মানৱতা, ন্যায় ব্যৱস্থাৰ কেনে ভয়ংকৰ কদৰ্য ৰূপ হৈছে।

স্বামী বিবেকানন্দই কৈছে আজিৰ যুৱক শংকালু, আৰু অবিশ্বাসী। তেওঁলোক উদ্ধত আৰু উগ্ৰ স্বভাৱৰ, কিন্তু সাংঘাটিক সাহসী আৰু ৰোমাঞ্চপ্ৰিয়, জিজ্ঞাসু আৰু তাকিক, সন্দেহশীল তদ্ৰূপ বিদ্ৰোহী আৰু পুৰণি প্ৰীতিৰ প্ৰতি কঠোৰ আৰু প্ৰতিবাদী।

আৱশ্যক এজন পথ প্ৰদৰ্শক ঃ

এনে পথভ্ৰষ্ট বা পথ সন্ধানী যুৱক সকলৰ নেতা বা পথ প্ৰদৰ্শক হিচাবে আমি স্বামী বিবেকানন্দৰ বাহিৰে আৰু অন্য কাৰো নাম নললেই হ'ব। তেওঁ একে ধাৰে গতিশীল, তেজস্বী, সাহসী, পবিত্ৰ, সত্যনিষ্ঠ, আৰু নিৰ্ভীক ব্যাক্তিত্ববান ব্যক্তি যে ইয়াত কাৰো আপত্তি নাই।

তেওঁ যুৱক সকলক আহ্বান কৰাৰ সময়ত ছাগলীৰ নিচিনাকৈ বেবাই ফুৰা নাছিল বা উচ্চ মঞ্চত বহি বিদ্ৰোহী যুৱকৰ মিঠা ভাষাৰে হিংসা ত্যাগ কৰিবলৈ কৈছিল এনে নহয় বা মিছা আশ্বাস দি যুৱক নেতা হৈছিল এনে নহয়। তেওঁ অকলেই সিংহৰ দৰে আৰ্তনাদ কৰি কৈছিল -- '' বাহাদুৰ তৰুণসকল আগবাঢ়া। আমাক প্ৰেম, নিষ্ঠা আৰু ধৈৰ্য্যৰ বাহিৰে একো নালাগে। বিকাশেই বা গতিয়েই জীৱনৰ অৰ্থাৎ বিস্তাৰ বা প্ৰেম। সেই কাৰণেই প্ৰিয়জনৰ প্ৰতিৰূপ জীৱন, স্বাৰ্থৰ প্ৰতিটো অভিব্যক্তি মৃত্যু। পৰোপকাৰেই জীৱন পৰোপকাৰ নকৰা মানেই মৃত্যু। নবৈৱ শতাংশ মানুহে যাক তুমি দেখি আছা তেওঁলোক ইতিমধ্যেই মৃত বা প্ৰেত, জীৱিত ব্যক্তি সেইজনেই যিজনে অন্যক প্ৰেম কৰিব জানে।

স্বামীজীয়ে আকৌ কৈছিল '' হে তৰুণসকল তোমালোকে অনুভৱ কৰা সেই সকলৰ যি সকল দুখিয়া বা গৰীবৰ পীড়া, অজ্ঞানী তথা অশিক্ষিত সকলৰ বেদনা, পদদলিত সকলৰ পীড়াবোৰক তেতিয়ালৈকে অনুভৱ কৰা যেতিয়ালৈকে তোমাৰ মূৰ ঘূৰণী আৰম্ভ হৈ নাযায় - সচাঁকৈ তুমি আচৰিত হৈ যাবা এই চিন্তাবোৰৰ অন্ততঃ তোমাৰ অন্তৰাত্মা ঈশ্বৰৰ চৰনত সমৰ্পিত হব, তুমি পাবা, প্ৰভুৰ শক্তি, সহায়তা আৰু দুৰ্ধৰ্ষ শক্তি সংঘৰ্ষৰ। সংঘৰ্ষই বিগত বছৰবোৰ মোৰ লক্ষ্য। সংঘৰ্ষ কৰা। কেতিয়াও ভয়ভীত নহবা। কেতিয়াও ভয় নকৰিবা। অসংখ্য তৰাৰে আবৃত্ত বিশাল আকাশ চাম, ভয় নকৰিবা সিহঁত তোমাৰ ওপৰত খহি পৰিব। যন্তেক থমকি ৰৈ দেখিবা সেইবোৰ তোমাৰ পদদলিত। সাৱধান ধনে কেতিয়াও, তৃপ্তি নিদিয়ে, নাম কমালেও পিয়াহ নপলাই বা যশও সাৰ্থক নহয় তেনেকৈ বিদ্বতাত্ত অনৰ্থক। প্ৰেমহে একমাত্ৰ তৃপ্তি কাৰক। চৰিত্ৰইহে প্ৰেমৰ পথ তৈয়াৰ কৰে। ''

আমি ভাবো অত্যন্ত সন্দেহশীল তথা আস্থাহীন যুবকৰ মনত বিবেকানন্দৰ এই আহ্বানটিয়ে এটি শুদ্ধ প্ৰশ্ন উদয় কৰিব।

### আধুনিক যুৱকৰ প্ৰতি স্বামীজীৰ আহ্বান ঃ

"আমাৰ দেশক অলপমান সমৰ্পিত তেজস্বী তৰুণ লাগে যি বুদ্ধিমান আৰু সাহসী, যি মৃত্যুৰ মুখলৈকে যাবলৈও মৰসাহস কৰে, যি সাগৰ সাতুৰি পাৰ হব পাৰে। আমাক এনেকুৱা সহস্ৰ যুৱক লাগে (স্ত্ৰী পুৰুষ নিৰ্বিশেষে) আমাক সমাজক, দেশক, যি সমগ্ৰ বিশ্বক শক্তি দিব পাৰিব। কিন্তু ব্যৰ্থ সংকল্প আৰু কৃত্ৰিমতা নালাগে - লাগিব নিৰ্মাণ কৰিব শুদ্ধ চৰিত্ৰ তেতিয়া মই তোমালোকৰ লগত সদা থাকিম।"

এই ধৰণে উঠি অহা যুৱক চামক আহ্বান কৰিছিল দেশ মাতৃৰ সেৱাত কোনো জাতি বৰ্ণ ভাষা সম্প্ৰদায় নিবিশেষে আনকি যশ, মান, কীৰ্ত্তি, মুক্তি - ভক্তি আদিকো জলাঞ্জলি দি সংঘৰ্ষত জপিয়াই পৰিবলৈ।

আমি এটা কথাই মনত ৰখা দৰকাৰ যে ভাৰত এখন স্বতন্ত্ৰ দেশ, আজি ব্যক্তিগত বলিদানৰ ইমান আৱশ্যক নাই। কোনোবা এজন ধনী ব্যৱসায়ী হব পাৰে, হব পাৰে উচ্চমানৰ বেতনভোগী, লাগে মাত্ৰ আমাৰ সমৃদ্ধি আৰু সফলতাৰ উপযোগ জনতাৰ সেৱাত। সমগ্ৰ জনতাক আমি উচ্চ কৰিব লাগিব আৰু ভাৰতৰ সংস্কৃতিৰ তথা মানবৰ গৰিমাক পুনঃ প্ৰতিষ্ঠা কৰিব লাগিব। তাৰ বাবে স্বামীজীৰ দৰে গেৰুৱা বস্ত্ৰ পিন্ধি সন্যাসী হ'ব নালাগে। তুমি অন্তকৰণেৰে সন্যাসী হব লাগিব। নিজৰ দেশমাতৃৰ বেদীত নিজৰ জ্ঞান, জীৱন আৰু উপলব্ধিবোৰ সমৰ্পিত কৰিব লাগিব। নিজৰ দেশবাসীৰ সেৱা কৰা মানে সেই বিশ্বাত্মাক সেৱা কৰা যাক সাধাৰণ অৰ্থত মনুষ্য বুলি কয়।

### আধুনিক যুৱকৰ বিচ্ছিন্নতাবাদী ভূমিকা ঃ

এইটো আমাৰ বাবে অতি দুভাগ্য যে আমাৰ বিশাল দেশখনৰ এচাম যুৱকেই আকৌ দেশক টুকুৰা টুকুৰ কৰাৰ ষড়যন্ত্ৰত লিপ্ত হৈছে। ভাৰত স্বতন্ত্ৰ হোৱাৰ পাছত বহুটো বিচ্ছিন্নতাবাদী সংগঠনত আমাৰ যুৱক সকল জড়িত হৈ আছে। ইয়াৰ কাৰণ এইটোৱে যে তেওঁলোকে স্বামী বিবেকানন্দৰ অমৃত চেকি চোৱা নাই। ভাৰতৰ স্বতন্ত্ৰতা সংগ্ৰামত প্ৰথমাবস্থাত যি সকল বীৰপুৰুষে প্ৰানাহুতি দি দেশৰক্ষা আন্দোলন কৰিছিল তেওঁলোকে স্বামীজীৰ আহ্বান ক্ৰমেই অগ্ৰসৰ হৈছিল আৰু তেওঁলোকৰ হৃদয়ত আছিল স্বামীজীৰ আদৰ্শ, উঠত আছিল স্বামীজীৰ তেজস্বী শব্দমালা। তেওঁলোকে মাৰাঠা, অসম, পঞ্জাৱ, বংগাল বুলি যুঁজা নাছিল তেওঁলোকে যুঁজিছিল সমগ্ৰ ভাৰতভূমি স্বতন্ত্ৰ কৰিবলৈ। আজি ভাৰতক পুনঃ পুণজীৱিত কৰাৰ বাবে আৱশ্যক আমাৰ যুৱক সকলক স্বামীজীৰ উপদেষ্টা আৰু অমৃতপান। স্বামীজীয়ে কৈছিল --"তোমালোকে বিশ্বাস ৰাখা আৰু তোমালোকৰ প্ৰত্যেকৰে আত্মাত সেই এক সনাতন শক্তিয়ে নিবাস কৰি আছে যাৰ দ্বাৰা তোমালোকে সমগ্ৰ ভাৰতবৰ্ষক পুনৰ জীৱিত কৰিব পাৰিবা।"

□□

## ব্যক্তিগত অনুভৱ

# ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ শিবিৰ সমূহৰ টুকুৰা ছবি

প্ৰদীপ কুমাৰ চাহু
জেষ্ঠ প্ৰৱক্তা তথা কাৰ্য্যক্ৰম বিষয়া,
ৰাষ্ট্ৰীয় সেৱা আঁচনি কানৈ বানিজ্য মহাবিদ্যালয়

যোৱা ১৯৯৯ - ২০০০ বৰ্ষটোত কানৈ বানিজ্য মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ অন্তৰ্গত কেইবাটাও শিবিৰ অনুষ্ঠিত হৈছিল, তথা কেইবালানিয়ো আলোচনা চক্ৰৰ আয়োজন কৰা হৈছিল। এই শিবিৰ সমূহত সংঘটিত কিছু সত্য কাহিনীৰ আলমত ৰসাল টুকুৰা ছবি কিছুমান এই লিখনিত ডাঙি ধৰিবলৈ প্ৰয়াস কৰিছো। যিহেতুকে স্বেচ্ছাসেৱক সকলৰ মৰ্য্যদাৰ প্ৰশ্নৰে এই ছবিবোৰ ডাঙি ধৰিব পাৰে বাবেই তেওঁলোকৰ প্ৰকৃত নামবোৰ উল্লেখ কৰা হোৱা নাই। তথাপিও কাৰোবাৰ অন্তৰাত্মাত সচাঁকৈয়ে যদি আঘাত লাগে তেন্তে আৰম্ভনীতেই ক্ষমা প্ৰাৰ্থনা কৰিছো।

### পাতনি

যোৱা বছৰ কানৈ বানিজ্য মহাবিদ্যালয়ৰ ছাত্ৰ - ছাত্ৰীৰ মাজত এন, এচ, এচ ত যোগদান কৰাৰ আগ্ৰহ দেখি মই তবধ মানিছিলো। বেছিভাগেই উচ্চতৰ মাধ্যমিক ১ম বৰ্ষিকৰ ছাত্ৰ - ছাত্ৰী; ইয়াৰ কৃতিত্বৰ সিংহভাগৰ অধিকাৰি আমাৰেই প্ৰিয় ছাত্ৰ শ্ৰীমান কুল বৰ্মন আৰু অজি গগৈ। দুয়ো স্নাতক বৰ্ষৰ ছাত্ৰ। প্ৰথমছোৱাত বৰ অসুবিধা হৈছিল কিয়নো চৰকাৰী অনুদান বহুত পলমকৈ পাইছিলো বিশ্ববিদ্যালয়ৰ পৰা; কিন্তু প্ৰথমৰে পৰাই একো নহলেও কৰ্মৰত দিনকেইটা ছাত্ৰসকলক পাতলীয়া আহাৰৰ যোগান ধৰাতো নিয়ম। ব্যক্তিগতভাবে জামিন হৈ ডিব্ৰুগড়ৰ এখন জনপ্ৰিয় হোটেলৰ লগত চুক্তি কৰি কাম চলাই আছিলো। দ্বিতীয়তে, একেলগে ৮০/৯০ জন ছাত্ৰ - ছাত্ৰীক পৰিচালনা কৰাৰ সমস্যা সমূহ ভোক্ত ভোগীয়েহে জানে। অৰ্থাৎ শৃঙ্খলাৰ মাজতেই বিশৃঙ্খল। দা, কোৰ হেৰাই যাবলৈ ধৰে, সক্ৰিয়া হোৱাৰ লগে লগেই বননিত ঘাঁহৰ লগত মিলি গৈ নেদেখা হয়, হুলস্থূলতো আছেই। কৰ্মদিনৰ ( দেওবাৰেহে কৰা হয় ) তিনিসপ্তাহ যোৱাৰ পিছত যেনিবা হিচাপত আহিল যেতিয়া ১০০ জন স্বেচ্ছাসেৱকক ১০ টা দলত বিভক্ত কৰি একোজনকৈ মুৰব্বী ( জেষ্ঠ স্বেচ্ছাসেৱকৰ পৰা )ৰ অধীন কৰি মুৰব্বী সকলক কাম ভগাই দিয়া হৈছিল। ১৫।১০।৯৯ তাৰিখে প্ৰাক্তন স্বেচ্ছাসেৱকৰ সকলৰ উদ্যোগত এখনি কৰ্মশালা তথা সাংস্কৃতিক সন্ধিয়া সুন্দৰ ভাবে সমাপন হৈ যায়; মোৰ ভাল লাগিছিল, অতিকৈ আনন্দিতও হৈছিলো যেতিয়া প্ৰাক্তন অধ্যক্ষ তথা বৰ্তমানৰ অধ্যক্ষ ( দুযো এসময়ত এন, এচ, এচ ৰ কাৰ্য্যক্ৰম বিষয়া আছিল ) ই স্বেচ্ছাসেৱক সকলক ভূয়সী প্ৰশংশা কৰিছিল, তেওঁলোকৰ

নিয়মানুবর্তিতা, সেৱা তথা আগ্রহৰ বাবে।

এক

২৮/১০/৯৯ তাৰিখৰ পৰা ৬/১১/৯৯ তাৰিখলৈকে বিশেষ শিবিৰ অনুষ্ঠিত হৈছিল কানৈ আইন মহাবিদ্যালয়ত; সুকলমে চলি থকাৰ মাজতেই ২৯/১০/৯৯ তাৰিখে বিশৃঙ্খলা আৰম্ভ হৈছিল। ২/১১/৯৯ তাৰিখৰ দিনটো জোৰা আলোচনা চক্ৰৰ আয়োজনত মই ব্যস্ত থকাৰ বাবে শিবিৰ পৰিচালনাৰ দায়িত্ব প্ৰাক্তন স্বেচ্ছাসেৱক দুজনক দি সমল ব্যক্তি ( Resource Person ) ক লগ ধৰিবলৈ গৈছিলো; ঘূৰি আহোঁতে দেখা পালো যে বাটেদি দুজন স্বেচ্ছাসেৱক অন্য কৰবালৈ গৈ আছে। মই দলনেতাৰ পৰা কৈফিয়ত লওঁতে পানী খাবলৈ ঘৰলৈ যোৱাৰ কথা কৈছিল যিহেতু উক্ত স্বেচ্ছাসেৱক এজনৰ ঘৰটো তেনেই ওচৰত আছিল; স্বেচ্ছাসেৱক জনৰ ভাষ্যমতে শুকুৰবাৰে তেওঁৰ ' সন্তোষী ' ব্ৰত থাকে আৰু বাহিৰৰ বস্তু একো নেখায়। ময়ো বাক্যব্যয় নকৰি স্বেচ্ছাসেৱক সকলক ভাত খোৱাৰ কুপন দিওঁতে উক্ত স্বেচ্ছাসেৱক জনেও লৈছিল। গথুলি যেতিয়া মই প্ৰশ্ন কৰিছিলো যে হোটেলৰ পানী তথা খাদ্যখিনি বাহিৰৰ নহয় নেকি? তেতিয়া স্বেচ্ছাসেৱক জনৰ অৱস্থা চাবলগীয়া হৈছিল, হাঁহিবই নে কান্দিবই, কেৱল তলমূৰ কৰি আছিল। সিদিনাই প্ৰাক্তন স্বেচ্ছাসেৱক দুজনৰ এজনে মহাবিদ্যালয়ৰ গাতে লাগি থকা পুখৰীৰ নাও এখনত উঠি ধেমালি কৰি থাকোতে নাৱৰ গজাল সোমাই কলাফুল প্ৰায় এবেগেত ফাটি চিকিৎসালয়ত ভৰ্তি হবলগীয়া হৈছিল। এই ঘটনাটো হোৱাত মোৰ অৱস্থাৰো তথৈবচ, ৰোগীকেই চাম নে আলোচনা চক্ৰৰ আয়োজন কৰিম? যি কি নহওক, সকলোবোৰ সময়মতে সুকলমে সামাধা হৈ গৈছিল।

দুই

বিশেষ শিবিৰ চলি থাকোতেই 'যুৱ সাংস্কৃতিক বিনিময় ( Youth Culture Exchange ) শিবিৰৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ পৰা নিৰ্দেশ, অনুদান ( ইয়াৰ বাবে এবছৰৰ আগতেই আবেদন কৰা হৈছিল ) ইত্যাদি আহিছিল; স্বাভাৱিকতেই ইয়াৰ বাবে ব্যস্ত হবলগীয়াত পৰিছিলো। আঁচনিমতেই ১৮/১১/৯৯ তাৰিখে ৰাজস্থানৰ জয়পুৰ অভিমুখে ৰাওনা হৈছিলো ২২ জনীয়া দল এটি লগত লৈ। আমি নিৰ্দেশমতে সাংস্কৃতিক কাৰ্যসূচী তৈয়াৰ কৰি গৈছিলো। ২১/১১/৯৯ তাৰিখে দিল্লী পাই ভাতমুঠিৰ যোগাৰ পুৰণা দিল্লীৰ ৰেলষ্টেচনৰ বাহিৰত থকা 'ধাবা' এটিত কৰিছিলো। দৰ-দাম কৰি ১০ টকা মূল্যত পেটভৰাই খোৱাৰ বন্দোৱস্ত কৰি মই আৰু প্ৰাক্তন স্বেচ্ছাসেৱক কেইজনমানে বস্তুৰ ৰখীয়া হৈ সৰু ল'ৰা ছোৱালীবোৰক ভাত খাবলৈ পঠাই দিছিলো। সিহঁত ঘূৰি আহিলে আমি যাম বুলি ভাবিছো, তেতিয়া সময় বিয়লি তিনি বাজিছিল। ঘূৰি আহি এজন স্বেচ্ছাসেৱকে নাটকৰ ভংগীমাত কৈছিল - '' চাৰ, আমি এতিয়া মাৰ্কেটিং কৰিম। '' মইতো অবাক; আৰে আমি ভাত নাখাম নেকি? লৰাৰ ভাষা আৰু কাণ্ডজ্ঞানে মোক স্তম্ভিত কৰি তুলিছিল। তাতে দুটামানে নোখোৱাকৈ আহিল; কাৰণ দাইলখিনি বেয়া হেনো, টেঙা হৈ গৈছিল। আমিবোৰে খাবলৈ গৈ একে খিনি দাইলকে খালো; মোৰ অনুভৱ হ'ল সেইয়া বেয়া নহয় ধাবাৰ দাইল অথাৎ তাৰকা। হাঁহিত থাকিব নোৱাৰা হৈছিলো। নিশালৈ ছাত্ৰহঁতৰ ইচ্ছাতেই এখিনিয়ে ওচৰৰে বেলেগ হোটেল এখনত খাইছিলো; মই পিছত গৈ দেখো যে সেই হোটেলখন

বেছিহে লেতেৰা। আমাৰ ল'ৰাহঁতৰ জ্ঞান আৰু উপস্থিত বুদ্ধিয়ে দুখ - কষ্টৰ মাজতো হাঁহিৰ খোৰাক যোগাইছিল। পিছদিনা জয়পুৰ পাই বিনিময় শিবিৰৰ বাবে প্ৰস্তুত হৈছিলো। জয়পুৰত ৰুটি বেছি চলে, ভাত তাকৰীয়া; স্বাভাৱিকতেই অৰ্ডাৰ দি ভাত ৰন্ধোৱাৰ পিছতহে খাব পাইছিলো। আমাৰ ছাত্ৰ - ছাত্ৰীৰ হিন্দী শুনিবলগীয়া হৈছিল - '' জলকীয়া একটা লাও তো। ''

## তিনি

ওভতাৰ পথত অৱস্থা বেছি পুতৌলগা হৈছিল। এজনী জেষ্ঠ স্বেচ্ছাসেৱিকা ( কামে - কাজে ওস্তাদ)ৰ কাৰ্যই মোক স্তম্ভিত কৰিছিল। পানী সলনি হৈ মাত ভাগিছে কিন্তু জয়পুৰী আইচক্ৰীম খোৱাৰ লোভ সামৰিব পৰা নাছিল। আমাৰ নতুন স্বেচ্ছাসেৱক সকলৰ তাই আদৰৰ বায়েক, এতেকে তাইৰ ফালে কোনোবাই চোৱা দেখিলেই তেজ গৰম হয় সিহঁতৰ, মাৰেই মানুহটোক। কি আচৰিত, অসমৰ লৰাই অন্য প্ৰদেশত গৈ মাৰপিত কৰিব বিচাৰে, বায়েকৰ ফালে কোনোবাই চোৱাৰ বাবে। যদি অপৰিচিত মানুহ এজনৰ ফালে অন্যজনে নাচায়েই, গাভৰু ছোৱালী এজনীৰ ফালে ডেকা ল'ৰা এজনৰ চকু নাযায়েই, তেন্তে জীৱনৰ আনন্দই নো ক'ত? ফুল যদি ভালেই নাপাওঁ তেন্তে ফুলৰ সমাদৰ নো ক'ত থাকিব? ইয়াক বুজালেও নুবুজে সিহঁতে। যিহেতুকে সিহঁতৰ আদৰৰ বায়েক সিহঁতক উচটাই থাকে।

## চাৰি

ওভতাৰ পথত দিল্লীত ৬ ঘণ্টামান সময় পাওঁতেই ১০ জন মানে পলাই পত্ৰং দিছিল বজাৰ অভিমুখে। দিল্লীৰ পৰা ডিব্ৰুগড়লৈ আসন সংৰক্ষন নথকা হেতুকে মুটিয়াৰ সহযোগত শকত অংকৰ ধনৰ বিনিময়ত এটা সাধাৰণ ডবাৰ কম্পাৰ্টমেণ্ট লৈ অহাৰ বাবে যি কষ্ট খাইছিলো তাক পাহৰাতো এই জনমত চাগৈ সম্ভৱ নহব। ৰেল চলিবলৈ ১/২ ঘণ্টা মান থাকোঁতেহে কেইজনমান আহি ওলাইছিল হাতত নতুন বেগ ভৰ্তি কৰি লৈ। আমাৰ ল'ৰাহঁতৰ কৰ্তব্যজ্ঞান কেতিয়াকৈ হব ভাবি কুল নাপাইছিলো। বাৰংবাৰ মানা কৰা স্বত্বেও বিহাৰত এজন নিৰীহ যাত্ৰীক হেঁচা ঠেলাৰ মাজত সোমাবলৈ অসুবিধা পাই দুজন সদস্যই ঘোঁচা মাৰি নাকেৰে তেজ উলিয়াই দি বীৰত্ব কৰিলো বুলি ভাবি থাকোতেই বিহাৰ পুলিচে ধৰি যি লাঞ্চনা কৰিছিল, গোটেই দলটোৱে সেই ঘটনাক এতিয়ালৈকে পাহৰিব পৰা নাই। অনভ্যস্ত জীৱন প্ৰণালীত জয়পুৰত ল'ৰাহঁত দেৰিকৈ শোৱে, উঠে পুৱা ৭/৮ বজাত, ১০ বজাত জলপান, দুপৰীয়া আহাৰ ১.৩০ বজাত আৰু নিশা হই শেষত খাওঁতে দহ বাজিছিলগৈ; অৰ্থাৎ হোটেল বন্ধ হবৰ উপক্ৰম হৈছিল।

## পাঁচ

যোৱা ৮।১২।৯৯ তাৰিখৰ পৰা ১৩।১২।৯৯ তাৰিখলৈকে ডিব্ৰুগড় বিশ্ববিদ্যালয়ত 'কেন্দ্ৰীয় বিশেষ শিবিৰ' অনুষ্ঠিত হৈছিল। কিছু ৰখাল পৰিস্থিতিয়ে ইয়াৰো মনত ৰেখাপাত কৰিছিল। আমাৰ ছাত্ৰ কুল বৰ্মনে এজন স্বেচ্ছাসেৱক হিচাপে যোগদান কৰি নিজা কৰ্তব্যৰ গুণত সকলো স্বেচ্ছাসেৱক - স্বেচ্ছাসেৱিকা ৰ মাজত বৰ প্ৰিয় হৈ পৰিছিল। অন্য মহাবিদ্যালয়ৰ পৰা অহা

স্বেচ্ছাসেৱিকা এগৰাকীয়ে আকৰ্ষিত হৈ কুল বৰ্মনৰ পিছ লেৱা হৈছিল। বুধিয়ক কুলই অব্যাহতি পাবৰ বাবে এজন প্ৰাক্তন স্বেচ্ছাসেৱকৰ গুণ - গৰিমা, ঘৰুৱা স্বচ্ছল অৱস্থাৰ কথা ইমানেই বখানিলে যে তাই সিজনৰ প্ৰতি আকৰ্ষিত হবলৈ আৰম্ভ কৰিলে। জুইকুৰা অধিক তীব্ৰ কৰিবৰ বাবে কুলই সহায় ললে অন্তৰংগ বান্ধৱী সুমিৰ পৰা। সুমিয়ে লগৰ এজনী লিমা শৰ্মাৰ লগ লাগি উক্ত স্বেচ্ছাসেৱিকা জনীয়ে শুনাকৈ প্ৰাক্তন স্বেচ্ছাসেৱক জনৰ বেছিকৈ প্ৰশংসা কৰি পুৱালৈ ভালপোৱাৰ প্ৰস্তাৱ দিয়াৰ কথা জনালে। প্ৰাক্তন স্বেচ্ছাসেৱক জন কিন্তু এই সন্দৰ্ভত একেবাৰে অজ্ঞ আছিল তথা তেওঁ বিশেষভাৱে কাৰোৰে প্ৰতি আকৰ্ষিত নোহোৱাটো মই জানিছিলো; তেওঁ এটি ছাত্ৰ সংগঠনৰ ডিব্ৰুগড় জিলাৰ সভাপতিয়ো। আকৰ্ষিত হোৱা উক্ত স্বেচ্ছাসেৱিকা জনীয়ে কথা বিষম দেখি সুবিধাটো নেহেৰুৱাৰ উদ্দেশ্যেৰে সেই নিশাই ৰাতি বাৰ বজাত ( ভাত খাওঁতেই যিহেতু নিশা ১১-৪৫ বাজিছিল ) গৈ প্ৰাক্তন স্বেচ্ছাসেৱক জনক কৈছিল - '' আজি দা, মই আপোনাক ভাল পাওঁ। '' অজি গঁগৈ তো অবাক।

### ছয়

কুল বৰ্মনে এটি বঢ়িয়া কাম কৰি পেলাইছিল। শেষৰ দিনা সকলো যোৱাৰ পিছত তিনিগৰাকী ছাত্ৰী আৰু কুলৰ সৈতে দুজন বন্ধু শিবিৰত গাড়ীৰ বাবে অপেক্ষা কৰি থাকোঁতে কুলই হঠাতে প্ৰস্তাৱ দিছিল - '' অই, তহঁতে যোৱা( Pair ) হিচাপে ঘূৰি পোৱা নাই নহয়! কেনেকুৱানো লাগে আমি ঘূৰি চাওঁ আহ। '' প্ৰস্তাৱমতে এগৰাকী বান্ধৱী আৰু এজন বন্ধুৰ সৈতে তিনিযোৰ হৈ দুযোৰক দুফালে পঠাই নিজে অন্তৰংগ বান্ধৱী চুমিৰ সৈতে ৰখিয়া হৈ থাকিল। পিছত ইয়াৰে এযোৰৰ সফল সমাপ্তি ঘটিছে বুলি গম পোৱা গ'ল। ছাত্ৰজন প্ৰাক্তন স্বেচ্ছাসেৱক শ্ৰেষ্ঠ স্বেচ্ছাসেৱক হিচাপে কেইবাবাৰো পুৰস্কৃত আৰু বৰ্ত্তমান নিজাববীয়াকৈ ব্যৱসায় আৰম্ভ কৰি নিজৰ ভৰিত থিয় দিবলৈ সক্ষম হৈছে আৰু ঘৰখনকো সকাহ দিছে। ছাত্ৰী গৰাকীয়ো চূড়ান্তবৰ্ষৰ তথা অতি অমায়িক আৰু কৰ্তব্যপৰায়ণ স্বেচ্ছাসেৱিকা। মোৰ আনন্দ হৈছিল যে ধেমালিৰ চলেৰে কুলই একতাৰ বান্ধোনেৰে বন্ধুবৰ্গক বান্ধিবলৈ কৰা প্ৰয়াস আৰু তাৰ সফল পৰিণতিৰ বাবে।

### সামৰণি

এনে ধৰণৰ সৰু সৰু ঘটনাবোৰে জীয়াই থকাৰ প্ৰেৰণা বহুত দিয়ে, অভিজ্ঞতাৰ ভৰাঁল টনকিয়াল কৰে, সুসিদ্ধান্ত লোৱাত সহায়ক হয়। হাঁহি ধেমালিৰ মাজেৰেই বহুত কথা শিকিব যে পাৰি তাৰ বিশ্বাস দৃঢ় হয়।

□□

# গল্প

# চকুলো

শ্ৰী বসন্ত দাস
স্নাতক তৃতীয় বৰ্ষ

একুৰি দুটা বসন্ত পাৰ হৈ গৈছে জুৰিৰ জীৱনত। তাইৰ দেহত পিৰিটিৰ জুই। বসন্তৰ আগমনে প্ৰকৃতিক সজাই পৰাই তুলিছে। নতুন সাজ পাৰ পিন্ধি প্ৰকৃতি নদন বদন সুন্দৰী জনী হৈছে। বহাগী মলয়াই প্ৰকৃতিৰ মুৰ আছুৰি ফনিয়াই সুবাস বিলাইছে।

কিন্তু জুৰিৰ মনত শান্তি নাই। দুচকুৰে বৈ আহিছে মাত্ৰ অনৰ্গল চকুলো দুধাৰি, বাট চাই আছে চেনেহলৈ বুকুভৰা মৰম দিবলৈ। এইয়া আজিৰ পৰা প্ৰায় ছয়- সাত বছৰৰ আগৰ কথা। জুৰি তেতিয়া ক্লাচ নাইনৰ ছাত্ৰী। জুৰি পঢ়াত বৰ ভাল আছিল। তাই কোনো দিনে স্কুল খতি নকৰিছিল।

জুৰিহতৰ ঘৰৰ পৰা স্কুল খন প্ৰায় তিনি কিলোমিটাৰ মান দূৰত। গাড়ী মটৰৰ কোনো সুবিধা নাই গতিকে তাই সদায় খোজ কাঢ়িয়ে স্কুললৈ যায়। এদিন তাই স্কুললৈ গৈ আছে, স্কুল পাবলৈ আৰু এক কিলোমিটাৰ মান আছে এনেকুৱাতে এজাক বৰষুণ আহিল। তাই এতিয়া কি কৰিব ছাটিও অনা নহ'ল, ৰাস্তাত ৰবলৈও কোনো সুবিধা নাই।

'' কাঁকো পৰে তালো সৰে '' থিক সেই সময়তে এজন লৰা চাইকেলেৰে ছাটিলৈ আহি আছিল। জুৰি তিতিবুৰি আহি থকা দেখি লৰাজনে তাইৰ ওচৰত বৈ মাত লগালে ..........।

- 'ইমান বৰষুণত অকলে আহিছা'? জুৰিয়ে লাজ লাজকৈ ঘুৰি চালে।

- 'বেয়া নোপোৱা যদি কথা এটা কওঁ'? লাজ আৰু ভয়ত তাইৰ আচৰিত ভাৱ এটা ফুটি উঠিল।

- 'মোৰ নাম দুলাল। একে শ্ৰেনীত নপঢ়িলেও বন্ধু বুলিয়ে ধৰি লব পাৰা। ছাটিতো লোৱা মই গৈ থাকো'। জুৰিয়ে এক অজান উত্তেজনাত লওঁ নলওঁ কৈ ছাটিতো ললে, আৰু দুলাল গ'লগৈ। এনেদৰে অতিবাহিত হ'ল সিদিনাৰ দিনটো।

জোনাক গলে এন্ধাৰ আহে ঠিক তেনেদৰে দিনটো গ'ল পৃথিৱীৰ বুকুত সন্ধ্যা নামি আহিল। সমগ্ৰ পৃথিৱী যেন নিদ্ৰাৰ বুকুত, কিন্তু ওজাগৰে আছে মাত্ৰ জুৰি। তাইৰ মনত অনেক কল্পনা ভাহি আহিছে। আহিবও কাৰণ এইটো সিহতৰ কল্পনা কৰা বয়স।

জুৰি ৰাতিপুৱা অইন দিনাতকৈ সোনকালে উঠি পঢ়া শুনা কৰি অইনদিনাৰ দৰে স্কুললৈ গ'ল। তাই স্কুলত গৈ লক্ষ্য কৰিছে শনিবাৰে লগ পোৱা লৰাজন স্কুললৈ অহা নাই। অৱশেষত তাই লগৰ ছোৱালী এজনীক শুধি গম পালে যে দুলাল স্কুললৈ অহা নাই। তাৰ হেনো জ্বৰ উঠিছে। তাইৰ মনটো বেয়া লাগি গ'ল কিয়নো তাইৰ বাবে সি বৰষুণত তিতি তিতি আহিলো আচলতে কিন্তু দুলালৰ জ্বৰ আগৰ পৰা হৈ আছিল কিন্তু বৰষণত তিতা বাবে হয়তো অলপ বেছি হৈছে।

জুৰিয়ে সিদিনা গা বেয়া লগা বুলি প্ৰধান শিক্ষকক কৈ সোনকালে ঘৰলৈ উভতি আহিল। তাই মনতে ভাবিছে যে পাৰিলে এপাক দুলালৰ ঘৰত সোমাই গ'লে ভাল হয়। ভৱামতে কাম হ'ল। তাই দুলালৰ ঘৰত সোমাল।

দুলাল তেতিয়া বিচনাত শুই আছিল আৰু মাক ওচৰতে বহি আছে। দুলালে জুৰিক দেখি মাত লগালে - 'ও জুৰি আহিছা আহা আহা ওচৰলৈ আহা'। দুলালৰ মাকে জুৰিৰ মুখলৈ চালে জুৰিয়ে লাজতে তলমূৰ কৰিলে।

দুলালে মাকক কলে - মা এইয়া মোৰ, মানে আমাৰ স্কুলত পঢ়ে। নাম জুৰি, বহা জুৰি সৌ চকী খনত বহা।

দুলালৰ মাকে হেপাহেৰে শুধিলে - আইজনী ঘৰত কোন কোন আছে?

- মই, মা আৰু দাদা এজন আছে, দুখ মনেৰে জুৰিয়ে উত্তৰ দিলে।

- দেউতা নাই নেকি? মাকে প্ৰশ্ন কৰিলে।

- নাই, দেউতা আজি দুবছৰ আগতে বাচ দুৰ্ঘটনাত ..................

তাই আৰু কব নোৱাৰিলে। দুচকুৰে দুধাৰি চকুলো বৈ আহিল।

- হব, আই হব! আমাৰো একে দুৰ্ভগীয়া কপাল। যোৱা তিনিবছৰ আগতে বোমা বিস্ফোৰণৰ ফলত দেউতাকৰ মৃত্যু হ'ল। ভাৰতীয় সেনা বিভাগত চাকৰি কৰিছিল। এই বুলি কৈয়ে তেওঁ চকুলো টুকিলে।

জুৰিয়ে নিজকে প্ৰস্তুত কৰি কলে - দুখ নকৰিব খুৰীদেউ। কাৰ ভাগ্য কোনে কাঢ়ি নিব। এৰা তাকেইটো। বাৰু তুমি অলপ বহা। মই অলপ গৰম পানী কৰো। এই বুলি দুলালৰ মাক

পাকঘৰত সোমাল। জুৰিৰ মনত এনেকুৱা লাগিল যেন তাই সদায় আহি থকা ঘৰ এখনলৈ আহিছে। জুৰিয়ে দুলালৰ ওচৰত বহি সুধিলে - কেনেকুৱা পাইছা অসুখ অলপ কমিছেনে?

বৰ্তমান জ্বৰ নাই, ডাক্তৰৰ মতে দুই এদিনতে ঠিক হৈ যাব। বাৰু জুৰি সৌ টেবুল খনতে টেবলেত দুটা আছে তাৰে এটা দিয়াছোন। জুৰিয়ে টেবলেত টো দি দুলালৰ মূৰত হাত এখন থলে। দুলালে অজানিতে জুৰিৰ হাত খন ধৰিলে। জুৰিৰ মনটো যেন এক অজান ভাৱত শিহঁৰি উঠিল। দুলালে জুৰিক কিবা এটা কব বিচাৰিছে কিন্তু কব পৰা নাই, অৱশেষত লাহেকৈ কলে - আই লাভ ইউ, জুৰি। জুৰিয়ে দুলালৰ হাত খন আচোৰমাৰি অলপ আঁতৰি আহিল। এনেকুৱাতে চাহ আৰু গৰম পানী লৈ মাক আহি পালে। চাহ কাপ জুৰিক দি দুলালক গৰম পানী খিনি দিলে। চাহ খাই উঠি জুৰিয়ে যাবলৈ ওলাইছে। পাকঘৰত মেকুৰী সোমাব পাৰে বুলি দুলালৰ মাক পাকঘৰলৈ গ'ল। জুৰিয়ে যাবৰ সময়ত দুলালৰ কাণে কাণে কৈ গ'ল - আই অলচো লাভ ইউ ভেৰি মাচ্ছ, আৰু দুলালৰ দুগালে দুটা চুমা আঁকি দি গ'ল। জুৰি ঘৰলৈ উভতি গৈ অনুভৱ কৰিছে তাই যেন এটা নতুন পথত ভৰি দিছে। তাই নেজানে এই পথত কিমান কাঁইট আছে।

দিন বাগৰিল, দিনৰ পিছত মাহ, মাহৰ পিছত বছৰ পাৰ হৈ গ'ল। চ'ত মাহ শেষ হওঁ হওঁ। প্ৰকৃতিৰ গালে নৱ বসন্তৰ আগমন হৈছে। চাৰিওফালৰ গছ লতাই পাত সলাই নৱৰূপ ধাৰণ কৰিছে। ওখ ওখ এজাৰ বোৰত কপৌ ফুলিছে, শিপিনীৰ গাত তত নাই, বিহু আহিছে বিহুৱান ওলোৱা নাই। জুৰি হঁতেও তাঁতশাল জুৰিছে। জুৰিৰ আশা বিহুৱানত তাইৰ মনৰ পচন্দ অনুযায়ী ফুল বাচিব।

এইদৰে জুৰিয়ে বিহুৱান বৈ বৈ থাকিল বহাগ বিহুৰ অপেক্ষাত। জুৰিৰ মনত ক'তযে আশা বিহুৰ দিনা তাইৰ ককায়েক আহিব আৰু আহিব অতি প্ৰিয়জন।

বিহুলৈ আৰু এদিন বাকী এনেতে পিয়ন জনে জুৰিৰ হাতত চিঠি এখন আৰু টকা পাচশ দি গ'ল। চিঠি পঢ়ি জুৰিৰ মনতো সেমেকি গ'ল।

যি কি নহওঁক ককায়েক নাহিলেওঁ দুলাল আহিব।

বিহুৰ দিনা দুলাল জুৰিৰ ঘৰলৈ আহিছে। জুৰিয়ে দুলালক আদৰ - সাদৰকৈ বহিব দিলে আৰু তাইৰ মাকেও দুলালৰ খবৰ - বতৰা শুধিলেহি। প্ৰেমিকক যদি কোনোৱা প্ৰেমিকাই এটা সাধাৰণ উপহাৰ দিয়ে প্ৰেমিকৰ মনত সেইটোয়ে যেন অমূল্য সম্পদ।

জা - জলপান খাই দুলাল যাবলৈ ওলাল। জুৰিয়ে সৰু পেকেট এটা আনি দুলালৰ হাতত দিলে, এইবোৰ কি দিছা? নাই একো বিশেষ নহয়। বিহুৰ দিনা তোমাক

হাতে ঘূৰাই পঠিয়ালে মোৰ জানো ভাল লাগিব। দুলালে একো নামাতিলে। জুৰিৰ মনত অপাৰ আনন্দ বিহুৰ দিনা তাইৰ ভাল পোৱা জনক বিহুৱান খন দি কিমান যে ভাল লাগিছে খালি তাই কব পৰা নাই। এদিন দুদিন কৈ সময় বাগৰি গ'ল।

জুলাই মাহৰ প্ৰথম সপ্তাহত মেট্ৰিক পৰীক্ষাৰ খবৰ ওলাল। জুৰিয়ে ২য় বিভাগত উত্তীৰ্ন হৈছে। লগতে উচ্চতৰ মাধ্যমিক শাখাৰ খবৰো ওলাইছে। দুলালে প্ৰথম বিভাগত H.S.পাছ কৰিছে। দুলাল আছিল বাণিজ্য বিভাগৰ ছাত্ৰ। গতিকে সি এতিয়া B. Comত নাম ভৰ্ত্তি কৰিব লাগিব। অথাৎ আগৰ H.S. স্কুল খনৰ পৰা বাহিৰত পঢ়িব যাব লাগিব।

এনেতে চলিল দেশত এক অসুস্থ ৰাজনৈতিক পৰিৱেশ। দেশত নানা বিদ্ৰোহী সংগঠন গঢ়ি উঠিছে আৰু তাক নিয়ন্ত্ৰন কৰিবলৈ কেন্দ্ৰই জাপি দিছে পুলিছ মিলিটেৰী। সমাজত শিক্ষাৰ পৰিৱেশ নাইকীয়া হৈছে। সকলোতে চলিছে কলা ৰাজনীতি। চৰকাৰৰ দুৰ্বলতাৰ সুযোগ বুজি দেশত ভৰি পৰিছে বিদেশী বানিজ্য চক্ৰ। দেশত নানান ধৰণৰ সমস্যাই ঠন ধৰি উঠিছে। দুলালৰ যেন এইবোৰ সহ্য হোৱা নাই। অৱশেষত সি এদিন ঘৰৰ পৰা কোনেও নজনাকৈ নাইকীয়া হৈ গ'ল। পুত্ৰ অবিহনে দুলালৰ মাতৃয়ে অধৈৰ্য্য হোৱা নাই কিয়নো তেওঁৰ বিশ্বাস আছে দুলাল ঘূৰি আহিব।

এদিন সন্ধিয়া, বাৰিৰ পিচফালৰ পৰা এন্ধাৰৰ মাজেৰে আহি দুলালে মাকক মাত লগালে। মাকে কোন বুলি চাঁকি গছি লৈ গৈ দেখিলে দুলাল আহিছে। ততাতৈয়াকৈ দুলাল ভিতৰ সোমাল। দুলালে গাৰ জেকেট টো বিছনাত থৈ ভৰি ধুব গ'ল। দুলালৰ মাকে তাৰ জেকেট টো বিচনাৰ পৰা আলনাত থব বিচৰাত জেকেটৰ পকেটৰ পৰা গধুৰ কিবা এটা পৰা যেন পালে। কিনো পৰিল বুলি বুটলি লৈ দেখিলে ''ৰিভলভাৰ'' এটা। এনেকুৱাতে দুলালে হাত মুখ ধুই ভিতৰত সোমাই মাকক দেখি চিঞৰি উঠিল। মা?

মাকে গম্ভীৰ ভাবে শুধিলে - এইয়া মই কি দেখিছো

মানে মা ৰিভলভাৰ। - ৰিভলভাৰ থাকে পুলিছ বিষয়াৰ হাতত কিন্তু তোৰ ইয়াত এইতো কেনেকৈ আহিল। দুলালে কওঁ নকওঁকৈ মাকৰ আগত সঁচা কথাটো কৈ পেলালে - আমি যুৱ শক্তি এক গোট হৈ দেশৰ সমস্যা আৰু দুনীতিৰ বিৰুদ্ধে মাত মাতিবলৈ প্ৰস্তুত হৈছো।

কিন্তু তাত ৰিভলভাৰৰ প্ৰয়োজন কিহৰ। হিংসাৰে তো কোনো সমস্যাৰ সমাধান নহয়। মাকে প্ৰশ্ন কৰিলে।

প্ৰয়োজন আছে মা। তুমি নুবুজিবা মা - মহাত্মা গান্ধীয়ে অহিংসাৰে বৃটিচ চৰকাৰৰ বিপক্ষে যুজি জয় লাভ কৰিছিল কাৰণ বৃটিচ চৰকাৰে ভিতৰি ভিতৰি অহিংসা আন্দোলনক শ্ৰদ্ধা কৰিছিল। কিন্তু আজি সেই অহিংসাৰ কোনো মূল্য নাই। আজি বিনা অস্ত্ৰৰে মাত মাতিব যোৱা মানে জ্বলা জুইত চগা পুৰি মৰাৰ নিচিনা পৰাজয়।

সৌ সিদিনা শুনা নাই দৰমহা নাপায় কৰ্মচাৰী সকলে অনশন ধৰ্মঘট পালন কৰিছিল। দিনৰ পিছত দিন ধৰি কাম কৰি তাৰ বিনিময়ত প্ৰাপ্য মজুৰি বিছাৰিছিল আৰু চৰকাৰে তেওঁ লোকক কেনেকৈ সন্মান জনালে জানা মা। পুলিচ লগাই তেওঁলোকক মাৰপিত কৰালে। দুলাল যেন খঙত কঁপি গৈছে।

দুলালৰ মাকে কলে - চা দুলাল চৰকাৰৰ বিপক্ষে যুজিব যোৱা মানে এটা নিশ্চিত পৰাজয়। কিন্তু মাতৃভূমি যেতিয়া অত্যাচাৰীৰ দ্বাৰা লুণ্ঠিত হয় তেতিয়া দেশমাতৃৰ পুত্ৰহে হাত সাৱতি বহি থকাতো কোনেও নিবিচাৰে। দেউতাৰৰ আশা আছিল তোক পঢ়াই শুনাই এজন দেশ সেৱক গঢ়া। কিন্তু সেই আশা তেওঁ পুৰণ কৰিব নোৱাৰিলে। তই যদি সচাকৈ মাতৃভূমিৰ সেৱাৰ বাবে যাব বিচাৰিচ তেতিয়া মই তোক বাধা নিদিও। কিন্তু মই জীয়াই থকালৈকে মাজে মাজে আহি থাকিবি।

সেই নিশাই দুলালে মাকৰ পৰা বিদায় লৈ অসম ত্যাগ কৰিলে। যাবৰ সময়ত মাকক কৈ গ'ল - মা তুমি মোৰ বাবে চিন্তা নকৰিবা। জীৱনৰ শেষ মুহুৰ্ত্তলৈ মই যুঁজিম। কেতিয়াও পিচ হুহকি নাহো তৰিলে দেশ মৰিলে স্বৰ্গ। মই যাওঁ মা। দুলাল কলৈ গ'ল কোনেও নাজানে আনকি দুলালৰ মাকেও নাজানে। কেতিয়াবা মাজ নিশা মাকৰ ওচৰলৈ আহে আৰু শেষ নিশা গুচি যায়। এনেদৰে পাৰ হ'ল দুটা বছৰ। শাসক বাহিনীৰ চকু পৰিল দুলালৰ ওপৰত। এদিন ডাৱৰীয়া নিশা পৃথিৱীৰ বুকুলৈ যেন ঘোৰ অন্ধকাৰ নামি আহিছে। আকাশত বিজুলিৰ চমকনি উঠিছে। দুলালৰ মাকে মেঘৰ গাজনিত সাৰ পাই শুনিবলৈ পালে বাহিৰত কোনোবাই দুৱাৰত টুকুৰীয়াই মাতিছে।

মা - দুৱাৰ খোলা মই দুলাল।

দুলালৰ মাকে দুৱাৰ খন খুলি দি মুৰটো ঘূৰোৱা যেন লাগিল। দপদপকৈ কেইবাজনো সৈনিক ভিতৰত সোমাই আহিল। দুলালৰ মাকক প্ৰশ্ন কৰিলে। দুলাল ক'ত?

- মই নাজানো।

মিছা কথা কৈ লাভ নাই। চছ চছ বতায়ো দুলাল কাহা হেয়।

নাই মই নাজানো। লৰা ডাঙৰ হৈছে ক'ত গৈছে মোক কিবা কৈ যাবনে।

এই বুঢ়ীয়া তুম যুঠ বোলতা হ্যেই।

এই বুলি কৈ এজন যোৱানে দুলালৰ মাকক চুলিত ধৰি বগৰাই দিলে আৰু তাৰ পিছত তিনিচাৰিজন যোৱানে দুলালৰ মাকক বলাৎকাৰ কৰি গুছি গ'ল।

পিচ দিনা ওচৰ চুবুৰীয়াই দুলালৰ মাকৰ শৰীৰ টো বাৰীৰ পিচফালৰ গছ এজোপাত চীপজৰী লৈ ওলমি থকা প্ৰত্যক্ষ কৰিলে।


নিদাৰুন নিয়তিৰ কি যে বিধান। বেচেৰী বিধবাজনীৰ মৃতদেহটো নমাই আনিবলৈ কোনো নাই। পিচত গাওঁৰ মানুহে নমাই আনি নৈত উটুৱাই দিলেগৈ।

দুলালৰ মাতৃয়ে দুলাল ক'ত গৈছে সেই বিষয়ে জানিছিল যদিও কাৰো আগতে নকলে। শেষত লাজ অপমান তথা পুত্ৰৰ কথা কব লগীয়া হব বুলি আত্ম হত্যা কৰিলে।

দুলালৰ মাক মৰি গ'ল দুলালে খবৰেই নাপালে কিজানি। আৰু পাইছিল যদিও শাসক বাহিনীৰ কাঢ়া নজৰত ধৰা পৰাৰ ভয়তে সি নাহিল।

এই ফালে বেচেৰী জুৰি। তাইৰ সকলো ভাল পোৱা, কল্পনা হৈয়ে থাকিল। তাই নাজানে দুলাল কেতিয়াবা ঘূৰি আহিব নে নাহে। মাত্ৰ তাই অতীতৰ স্মৃতি বোৰ শুৱৰি থাকে আৰু দুগালে বাগৰি আহে অনৰ্গল চকুলো দুধাৰি॥

□□



# তিনি বন্ধুৰ গৌৰৱ

শ্ৰী প্ৰশান্ত সাহা
১ম বাৰ্ষিক

তিনিজন বৰ নলে গলে লগা বন্ধু আছিল। এজন আমেৰিকাৰ; এজন জাপানৰ আৰু আনজন হ'ল ভাৰতৰ। বহুদিনৰ মূৰত তিনিওজন লগ লাগি বৰ আনন্দ অনুভৱ কৰিলে। সিহঁত তিনিওজন লগ লগাত বহুত সুখ - দুখৰ কথা ওলাল। মাজতে আমেৰিকান জনে জাপানী জনক কলে -

তোমালোকৰ দেশ খনে বোলে বহুত নতুন বস্তু আবিষ্কাৰ কৰিলে।

- জাপানী জনে উত্তৰ দিলে - হয় কৰিলে।
- কোৱাচোন, কি নতুন বস্তু আবিষ্কাৰ কৰিলে।
- জাপানী জনে গৌৰৱেৰে কলে - আমাৰ দেশত এনেকুৱা এখন পানী জাহাজ উলিয়াইছে যিখন জাহাজত ১৫ হাজাৰ মানুহ বহিব পাৰে আৰু পানীৰ তলেৰে যায়।
- আমেৰিকাৰ আৰু ভাৰতীয় জনে আচৰিত হৈ সুধিলে, কি পানীৰ তলেৰে যায়?
- নহয় মানে অলপ ওপৰেৰে যায়। - জাপানী জনে ক'লে।


এইবাৰ জাপানীজনে আমেৰিকান জনক প্ৰশ্ন কৰিলে - শুনিছো, তোমালোকৰ দেশতো বহুতো নতুন বস্তু আবিষ্কাৰ হৈছে?

- হয়, বহুতো নতুন বস্তু আবিষ্কাৰ কৰিছে। - আমেৰীকান জনে কলে।
- এটা নতুন বস্তুৰ বিষয়ে কোৱাচোন? জাপানীজনে ক'লে।
- আমেৰীকান জনে ক'লে - আমাৰ দেশত এখন উৰা জাহাজ বনাইছে য'ত ৩০ হাজাৰ জন যাত্ৰী লৈ আকাশেৰে উৰা মাৰে আৰু আকাশত লাগি যায়।
- জাপানী আৰু ভাৰতীয় জনে আচৰিত হৈ সুধিলে, কি আকাশত লাগি যায়।
- নহয়, মানে অলপ তলেদি যায়। - আমেৰিকান জনে কলে।

- ভাৰতীয় জনে মনে মনে বহি আছিল। ভাবিছিল আমাৰ দেশততো এনেকুৱা আচৰিত বস্তু নাই।
- ভাৰতীয় জনে ভাবি গুণি থাকোতে আমেৰিকান আৰু জাপানী জনে প্ৰশ্ন কৰিলে, তোমালোকৰ দেশতনো কি আচৰিত বস্তু আছে?

তেতিয়া ভাৰতীয় জনে ক'লে - আমাৰ দেশত বিৰাট আচৰিত দৃশ্য দেখিবলৈ পোৱা

যায়।
- কোৱাচোন কি আচৰিত দৃশ্য দেখিবলৈ পোৱা যায়? সিহঁত দুজনে প্ৰশ্ন কৰিলে।
তেতিয়া ভাৰতীয় জনে ক'লে - আমাৰ দেশৰ মানুহে নাকেৰে ভাত খায়।
- সিহঁত দুজনে আচৰিত হ'ল। কি নাকেৰে ভাত খায়?
- নহয়, মানে দুই ইঞ্চি তলেৰে খায়।



# তুমি আহিলা !

- শ্ৰী জয়ন্ত কুমাৰ শৰ্মা

ৰাতি ১০.৩০ বজাত বাছখন আহি ''চ'ক'' পালেহি। পুৰণা বাছ কেতিয়াবা কেতিয়াবা বেয়া হয়েই আৰু। ৰাষ্টাৰ কথা নকলেও হ'ব চহৰৰ বাট - পথেই চাব নোৱাৰি, গাত আৰু পানীৰ ডোঙাবোৰৰ মাজে মাজে ৰাষ্টা; তেন্তে কুম্ভকৰ্ণ প্ৰভুসৰে গাওঁৰ বাট - পথবোৰৰ বিষয়ে চিন্তা কৰিবলৈ আহৰি পায় ক'ত, বাকী থাকিল খোৱা - বোৱাৰ (?) কথা, কোনো চিন্তা নাই ছমাহৰ মূৰত এবাৰহে! সেয়েহে বাছৰ Time - Table আৰু Rate বদলি যোৱাত আছৰিত হ'ব ল'গা একো নাই। Student বোৰেই হিচাবতকৈ বেছি পইছা দি অহা - যোৱা কৰে, গতিকে তাৰ বেছি দিলে বিশেষ একো হাণি নহয়। সেইবোৰকে ভাবি ভাবি সি বাছৰ পৰা নামিলে। চ'কৰ পৰা ৬ মাইল বাট সি অ'কলেই যাব লাগিব। ''নাই নোঁৱাৰি দেই, অতপৰে ভঙা ৰাষ্টাইদি ঘেগেলা গাড়ীত ঘামৰ গোন্ধ লৈ লৈ আহি আছে, তাতে ৰাতি ১১ বাজিবৰেই হ'ল আকৌ ৬ মাইল বাট খোজকাঢ়ি, ধুত'' সি মণতে ভাবিলে যে কিয়নো পথাৰৰ মাজেদিয়েই যোৱা যাৱক, তেতিয়া মাত্ৰ ২ মাইলহে হ'ব, কিন্তু সকলোৱেই তাক ৰাতি পথাৰৰ মাজেদি আহিবলৈ হাক দি থৈছে; কথাষাৰ ভাবিয়েই তাৰ গাটো জিকাৰ খাই উঠিল, বহুপৰ ভবাৰ পাছত সি পথাৰৰ মাজেদি নোযোৱাটোকে ঠিক কৰিলে। বাছখনত প্ৰথমে বহুত যাত্ৰী আছিল কিন্তু ভাটিফালৰ গাওঁবোৰলৈ আহিবৰ বাবে এইখনেই একমাত্ৰ বাছ; আগৰ ৬ খন গাওঁ পাৰহে আহোতে আহোতে যাত্ৰী থাকিলগৈ মুঠ ৪ জন, বাছৰ ড্ৰাইভাৰ - হেণ্ডিমেনকলৈ মুঠ ৬ জন মানুহ। আটাইকেইজনেই পুৰুষ। সিহঁতৰ গাওঁৰ মানে ৭ নম্বৰ গাওঁ খনৰ চ'কটোৱেই হ'ল বাছ খনৰ '' Last stopage''। ৪ জন যাত্ৰীৰ ভিতৰত এটা সি নিজে, দুটা চ'কৰ ওচৰৰ ডেকা ল'ৰা Night show চাই আহিছে, সিহঁতৰ মুখৰ পৰা ফটিকাৰ নিচাত বাগৰি অহা শ্ৰুতিকটু হিন্দী গীতেই তাৰ প্ৰমান। এজন চ'কৰে দোকাণী, চহৰৰ পৰা দোকানীৰ সামগ্ৰী কেইটামান আনিলেগৈ গতিকে এতিয়া চ'কতে আটাইকেইজন ভাগে ভাগে গ'ল, সি অকল শৰীয়া হ'ল, উপায় নাই এই গেলা গৰমটো মাজনিশা বাইনিৰ তলে তলে ৬ মাইল সি অকলেই যাব লাগিব। হঠাতে ৰাষ্টাৰ দাঁতিত চিঞৰ - বাখৰ কৰি থকা কুকুৰ কেইটালৈ তাৰ দৃষ্টি গ'ল। সিহঁতমথাৰ চিঞঁৰ-বাখৰত সি যেন সম্বিতহে ঘুৰাই পালে। সি চহৰ দেখি মুধাফুটা কেইটাৰ দৰে ইহঁতেও হয়তো আন্দোলন কৰিছে নতুবা ৰেডিঅ'ত নাম মাতি থকা কেইটাৰ দৰে বিদ্ৰোহ কৰিছে, নিজ নিজ ইষ্ট দেৱতাৰ বৰ লাভ কৰিবলৈ। সংগ্ৰাম আন্দোলন, বিদ্ৰোহ, অসহযোগ, অণশন, লাঠি - চাৰ্জ, Shoot at sight এইবোৰ সিহঁতৰ দেউতাক, ককাদেউতাকইঁতৰ মুখত সি প্ৰায়েই শুনিছিল আৰু দুটা নম্বৰো শুনিছিল ৪২ আৰু ৪৭, ল'ৰালিৰেই কথা - ভালকৈ মনত পৰা নাই কিন্তু এটা কথা ঠিক বুজিছে সি যে এতিয়া অসমত এনেবোৰ শব্দক লগলগাই বোধকৰো সেই ৪২,৪৭ হতঁৰ কিবা Remake বনাবৰ চেষ্টা কৰিছে ''অসমে!'' হয়তো বোপা ককাৰ দিনৰ এই শব্দবোৰক চোৰাং চিকাৰীৰ পৰা সংৰক্ষন দিবলৈ, এই বোৰৰ এটা যাদুঘৰ খুলিবলৈ যাৰ দ্বাৰা

অসমক, পিছপৰা অসমক বাহিৰৰ পৃথিৱীখনে চিনি পাই, যাৰ বাবে ''অসমৰ'' নাম ''অসমৰ'' ইতিহাসত সোণালি আখৰেদি লিখিব পাৰি। কিন্তুবাহিৰৰ পৃথিৱীখনে চিনি পাই, যাৰ বাবে ''অসমৰ'' নাম ''অসমৰ'' ইতিহাসত সোণালি আখৰেদি লিখিব পাৰি। কিন্তু আজিকালি দেখোন বোপা - ককাহঁতে কেৰাৰ দৰে মানুহে এইবোৰ কথালৈ অকণো সহাঁৰিয়ে নিদিয়ে, অৱশ্যে আজিকালি ভাল মানুহনো আছে কেইটা, যি কেইটা আছে আঙুলিৰ মূৰত লেখিব পৰা ইহঁত (?) কেইটাই আছে। তেনেতে তাৰ গা চুই যোৱাৰ দৰেই এখন মাৰুতীভান পাৰহৈ গ'ল। (পাঠক সকলে গাওঁৰ মাজত, বাইঁনিতলত ''মাৰুতীভান'' শব্দটো সহজে ল'ব নোৱাৰিবও পাৰে, কিন্তু দকৈ ভাবি চাওঁক) অন্য মানুহ হোৱা হ'লে ভেৰা লাগি সেইখন যোৱাৰ ফালেই চাই থাকিল হেঁতেন কিন্তু সি অকনো আচৰিত ন'হল। ন্যায়মুৰ্ত্তিসকল হ'ব। মাজনিশা ধূলি উৰুৱাই তেৰাসৰ প্ৰয়ে অহা - যোৱা কৰি থাকে, ঘৰে ঘৰেগৈ উপযাচি কৰি থাকে, কি কৰি থাকে, কি আছিল শব্দটো অ'..ন্যায়... কৰি থাকে। বিশেষকৈ যাৰ যাৰ ঘৰত পূৰুষ (?) নাই। কিছুমানে কিন্তু তেওঁলোকৰ জনপ্ৰিয়তা দেখি হিংসাতে নিজেও তেওঁলোকৰ দৰে কৰিবলৈ যায় কিন্তু কৰি থৈ আহে ড'লোতাটো। তথাপিটো ত্ৰাসতে টেপা খোৱা আমাৰ ঠাল - ঠেঙুলি বোৰে মাথোন A.S.E.B. ৰ Transformer আৰু A.S.T.C. ৰ গাড়ীকেইখনৰ দৰে বিকলৈহে চাই থাকে।

তাৰ মনটো হথাতে ভাল লাগি গ'ল। সি যে এই ধৰনৰ কথাবোৰো চিন্তা কৰিব পাৰে সি জনাই নাছিল। মনৰ আনন্দতে তাৰ উকিয়াই দিবলৈ মন গ'ল। ইচৰাম সি যে ই'মান কথা জানে, যিমান যি ন'হলেও সিটো সামান্য এটা Thumb-impression মাৰ্কা খেতিয়কহে। অ সি পাহৰি গৈছিল নেকি যে সি এটা খেতিয়ক, তাৰ যে মাটিকণ মহাজনৰ ওচৰত বন্ধকি দি থৈছে, এইবাৰ সুত নিদিলে যে মাটিকনে সৈতে ঘৰটো যাব, এইবাৰ যে বতৰ ভীষন খৰাং, এছাটি বতাহ নাই, এটুপি বৰষুন নাই। সিটো সেই কাৰণেই চহৰলৈ গৈছিল। অ' সি চহৰলৈ এইবাবেইতো গৈছিল মহাজনৰ পৰা ঘৰটো, মাটিকন, ৭ জনীয়া পৰিয়ালটোক ৰক্ষা কৰিবলৈ। সি গৈছিল, নিজৰ বাল্যবন্ধু প্ৰতিকৰ ওচৰলৈ, প্ৰতিক চহৰৰ তেল কোম্পানিৰ ডাঙৰ বিষয়া, বাহিৰা পইছাও আছে আৰু ঘৈণীয়েকেও চাকৰি কৰে গতিকে সি নিজৰ বাল্যকালৰ বন্ধুক কেতিয়াও নিৰাশ নকৰে, সি কৰিব নোঁৱাৰে, তাৰ কাৰণে বন্ধুৰ দুখ মানে নিজৰ দুখ। প্ৰথমে যেতিয়া সি প্ৰতিকৰ ঘৰলৈ সোমাই গ'ল, দাৰোৱানে তাক বাধা দিলে। কিন্তু যেতিয়া প্ৰতিকৰ গাওঁৰ পৰা অহা বুলি কলে দাৰোৱানে তাক যাবলৈ দিলে, ''বিচাৰা, যাওঁ যাওঁ হামাৰা মালিক বহুত দয়ালু, তোমকো জৰুৰ দান কৰেগা''। কিন্তু প্ৰথমে প্ৰতিকে তাক চিনিয়েই পোৱা নাছিল, বহুত দেৰিৰ মূৰত বহুত কষ্টত পৰিচয় দিয়াত চিনি পাবলৈ বাধ্য (?) হ'ল। বহু কথাৰ পাছত সি প্ৰতিকক কলে, ''পোনা মই আছলতে তোৰ ওচৰলৈ এটা দৰকাৰতেই আহিলো।'' ''ক ক'' - পোনাৰ আগ্ৰহ দিখি সি যেন অকনমান সাহস পালে। - ''আছলতে মোৰ ঘৰ - মাটি সকলো মহাজনৰ ওচৰত বন্ধকত আছে, এইবাৰটো বতৰটো তই দেখিছয়েই, একেবাৰে খৰাং, সময়তযে খেতি হ'ব আশা নাই' আৰু যদি সময় মতে মহাজনৰ সুত দিব নোঁৱাৰো তেন্তে মোৰ ঘৰ - মাটি সকলো যাব। তই মোক যদি কেইটকামাণ ধাৰলৈ দি সহায় কৰ'' .........

– ''তই আজি প্ৰথমবাৰ মোৰ ঘৰলৈ আহিছ তাকো নিজৰ মত্‌লব্‌ লৈ। তোক বাৰু মই বেয়া পোৱা নাই কিন্তু ছা আজিকালি চহৰৰ বস্তৰ যিহে জুই চাই দাম দুজনৰ Incomeএৰে তিনিজনীয়া পৰিয়াল চলোৱা বৰ টান অ', একদম নোৱাৰি, কোনো পধ্যেই নোঁৱাৰি, বাহিৰাবোৰ (?) বাহিৰে বাহিৰেই যায়। গতিকে মই তোক সহায় কনেকৈ কৰো তয়েই কছোন; তই বেয়া নেপাবি দেই।

বন্ধুৰ ''না'' এ তাক ক্ষুন্ন কৰিলে, সি তাক প্ৰকাশ নকৰি বন্ধু পত্নী আৰু পুত্ৰীক চাওঁ বুলি ক'লে। কিন্তু সিইঁতে তাক দেখা কৰাৰ কোনো আগ্ৰহ প্ৰকাশ নকৰিলে। হয়টো গাওঁলীয়া ভূত এটা দেখা কৰিলে সিইঁতৰ Igo Hurt হয়।

প্ৰতিকে পৰিস্থিতি সহজ কৰিবলৈ ক'লে, ''তই নোখোৱা কৈ যাব নোৱাৰ, আমাৰ এটা পাৰ্টি আছে, আমাৰ দেৰী হৈছে, গৈ থাকো তোক যি লাগে (লগুৱাটোক দেখুৱাই) ইয়াক কৈ দিবি ই আনি দিব।'' প্ৰতিকহঁত ওলাই গ'ল বাহিৰৰ বাৰান্দাত প্ৰতিকে লগুৱাটোক কোৱা তাৰ কানত পৰিল, ''অ'ই শুন Vetahn Club ৰ Member কেইজনমানে মোক Sofa এখন দান কৰিবলৈ কৈ আছিল, কালিলৈ এইখন পঠিয়াই দিবি, মই নতুন এখনৰ Order কৰি দিছো।'' কথাষাৰ শুনাৰ লগে লগে সি বহাৰ পৰা উঠিল। বন্ধুহঁত (?) যোৱাৰ পাছত সিও যাবলৈ ওলাল, লগুৱাটোৱে তাক বাৰম্বাৰ কিবা এটা খাই যাবলৈ ক'লে: কিন্তু ঘৰৰ ৬ টা প্ৰানীক ভোকত ৰাখি সিনো বন্ধুগৃহত পঞ্চামৃতেৰে পেট ভৰাই কেনেকৈ। সি গুচি আহিল।

কথাবোৰ ভাবি ভাবি কেতিয়ানো পদূলিমুখ পালেহি গ'মেই নেপালে। হঠাতে তাৰ চকু আকাশত মাৰি যোৱা বিজুলিলৈ পৰিল। দুৱাৰ দলিত থিয় দিয়াৰ লগে লগে এজাক বৰষুন হিৰ হিৰাই নামি আহিল। সি পাঁছিবাৰ মান মতাৰ পাছত ঘৈনিয়েকে দুৱাৰখন খুলি দিলে আৰু ক'লে ''তুমি আহিলা।'' কথাষাৰ তাই কাক ক'লে সি ঠিক বুজিব নোৱাৰিলে, কাক ক'লে তাক নে বৰষুন জাকক; কিন্তু এক অজান আনন্দত সি চোতালত বাগৰি বাগৰি বৰষাক আদৰনি জনালে, ফুৰ্ত্তিতে সি ফেঁকুৰি ফেঁকুৰি কান্দি থাকিল। গোটেই ৰাতি সি তিতি থাকিল। সি দেখিলে চোতাল, বাৰী, পথাৰ, পানীৰে উপচি পৰিছে আৰু পূব দিশৰ পৰা ৰঙা বেলিটো ওলাই আহিছে, এজাক বগা চৰাই পূব আকাশলৈ উৰা মাৰিছে।

গল্পটো শেষ কৰি বিৰেশ্বৰ হাজৰিকাই মইনাক এটা কবিতা শুনালে।

গল্পটো শুনি মইনাৰ বৰ ভাল লাগিল। তাই হাত চাপৰি বজালে আৰু কলে, ''ককা কাহিনীটো খুউবেই সুন্দৰ কিন্তু কাহিনীৰ সেই Hero জনৰ নামটো যে নকলা!''

- ককাকে কলে ''তাৰ নাম বিৰেশ্বৰ হাজৰিকা''

কি ? তাৰ মানে এইটো তোমাৰ কাহিনী। এনেতে মইনাৰ হাতঘড়ীটো বাজি উঠিল, তাই Message টো লৈ ককাদেউতাকক কলে, ''ককা America ৰ পৰা মাৰ Wed Message আহিছে, মই এতিয়াই যাব লাগিব। দুঘন্টাৰ পাছত আকৌ আহিম দেই।

- ''যোৱা যোৱা মইয়ো অকনমান জিৰাই লওঁ।''

- ''ঠিক আছে মই আহিছো'' .............

- ''আচ্ছা মইনা আজি কিমান তাৰিখ ?''

- ''10 September 2080''

□□

আনক সমালোচনা কৰিবলৈ যোৱাৰ আগতে নিজক সমালোচনা কৰা নিজে শুদ্ধ আৰু পবিত্ৰ হব পাৰিলে হে আনৰ বিষয়ে মতামত দিয়াৰ যোগ্যতা আৰ্জ্জন কৰিব পাৰিব।

-চক্ৰেটিচ

# স্বাধীনতাৰ সোনালী জয়ন্তী

শ্ৰী ৰণদিপ গগৈ

হঠাতে মোৰ বন্ধু এজনে আহি কলেহি, যে আমাৰ মহাবিদ্যালয়ৰ আলোচনী খনলৈ মই কিবা এটা লিখিব লাগে। মই ভাবিলো কি লিখো মোৰটো তেনেকৈ লিখাৰ বিশেষ অভ্যাস নাই। শেষত ঠিৰাং কৰিলো কিবা এটা লিখিম।

আজিৰ পৰা প্ৰায় তিনিবছৰ আগৰ কথা। ১৯৯৭ চনৰ আগষ্ট মাহ। মই গৈছিলো নলবাৰীৰ এখন ভিতৰুৱা গাওঁলৈ। লগত গৈছিল মোৰ বন্ধু এজন তাৰ ঘৰ নলবাৰীতে। তেতিয়া ভৰ বৰিষা, বাৰিষাৰ সময়ত গাওঁৰ ৰাইজৰ অৱস্থানো কেনেকুৱা হয় তাকে অলপ চাই আহো বুলিয়ে দুয়ো ওলালো। সিদিনা খন আমাৰ ভ্ৰমনৰ লক্ষ্য যি খন ঠাই আছিল তালৈ যাব পৰা কোনো বাছৰ সুবিধা নাই। সেয়েহে বন্ধু ঘৰৰ পৰা দুয়ো দুখন চাইকেল লৈ সৰু গাওঁলীয়া ৰাষ্টাটোৰে আগ বাঢ়িছো। প্ৰায় দুই অঢ়ৈ ঘন্টা মান চাইকেলেৰে যোৱাৰ পিচত আমি আমাৰ লক্ষ্য স্থানৰ গাওঁখন পালো।

গাওঁ খনৰ মূৰৰ পৰা আমি লক্ষ্য কৰিছো যে ৰাষ্টাত মানুহৰ অধিক সমাগম হৈছে। ৰাষ্টাৰ মানুহ আহিছে আৰু গৈছে আমি কেইবাজনকো শুধিছিলো যে কথাটো কি?

সকলোৰে মুখত এটাই উত্তৰ ''অলপ আগত গলে সকলো গম পাব।''

আমি আগবাঢ়িছিলো, অলপ দূৰ গৈয়ে আমি ৰবলৈ বাধ্য হৈ গলো। এঘৰ মানুহৰ চোতালত মানুহৰ বৃহৎ জুম। মানুহে হেচা ওপৰা লগাইছে যেন কিবা যাদু প্ৰদৰ্শন হে কৰা হৈছে। মানুহৰ ভিৰৰ মাজেৰে আমিয়ো আগুৱাই গলো কিনো হৈছে তাক দৰ্শণ কৰাৰ হেপাহত। দৃশ্যটো দেখি আমি অবাক হৈ গলো বন্দুকৰ গুলিৰে ক্ষত বিক্ষত ৰক্তাক্ত এটি বৃদ্ধৰ মৃতদেহ নিয়তিৰ কোলাত শুৱাই থোৱা হৈছে। আৰু সেই মৃতদেহটোৱে যেন নিয়তিৰ কোলাত শান্তিৰে শুই চকু কেইটা মেলি ৰাইজক চাই আছে যেন বুজাৱ বিচাৰিছে ''সকলোৰে এই একে অৱস্থাই আহি আছে।''

এনেকুৱাতে কোনোবা এজনে চিঞৰি কোৱা শুনিলো, কি কৰি আছা সোনকালে

বগা কাপোৰ অলপ আনা। লগে লগে কোনোৱা এজনে ( সম্ভৱত ) মৃতকৰ পুত্ৰই কাগজেৰে বন্ধা বগা কাপোৰ অলপ আনি দিলে। কাপোৰ আনিবলৈ পইচা নাই বাবে কেইদিন মানৰ আগতে আনি থোৱা বেনাৰ খনকে উলিয়াই দিছে মৰাশ ঢাকিবলৈ।

কাপোৰ খন মৰা শ টোৰ ওপৰত থাকি দিয়া হ'ল। মোৰ চকু লগে লগে কাপোৰ খনৰ ওপৰত পৰিল। কাপোৰ খনত লিখা আছিল '' স্বাধীনতাৰ সোনালি জয়ন্তী উৎসৱ '' ।

